**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**প্ৰেছ বাৰ্তা নং ঃ ২২৪/২০২২**

## বিশিষ্ট মুক্তিযুঁজাৰু কৃষ্ণকান্ত লহকৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোকপ্ৰকাশ

## ৰাজ্যিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিবলৈ প্ৰশাসনক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট মুক্তিযুঁজাৰু কৃষ্ণকান্ত লহকৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশগ্ৰহণেৰে দেশমাতৃৰ সেৱাত অতুলনীয় অৱদান আগবঢ়োৱা মুক্তিযোদ্ধা লহকৰে মৃত্যুৰ আগলৈকে অসমৰ সমাজ-জীৱনৰ উত্তৰণৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। নিখিল ভাৰত মুক্তিযুঁজাৰু সমিতি তথা অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণকান্ত লহকৰৰ বিয়োগ ৰাজ্যখনৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট মুক্তিযুঁজাৰু কৃষ্ণকান্ত লহকৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে মুক্তিযোদ্ধা লহকৰৰ অন্ত্যেষ্টিক্ৰিয়া ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে।

**নিঃকুঃদাঃ**
**৮/০৮/২০২২**